## কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

# ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবৰ্ষৰ সামৰণী অনুষ্ঠান সম্পন্ন

গুৱাহাটী, ১ অক্টোবৰ ঃ ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবৰ্ষ উদ্‌যাপনৰ সামৰণি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কালি বিশ্ববিদ্যালয়ৰ জুবিন গাৰ্গ প্ৰেক্ষাগৃহত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বিশিষ্ট অতিথিসকলে ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। অনুষ্ঠানৰ সমন্বয়ক ড° মৃণালজ্যোতি গোস্বামীয়ে উপস্থিত সকলোকে আদৰণি জনাই অনুষ্ঠানৰ তাৎপৰ্য ব্যাখ্যাৰে অনুষ্ঠানটি আৰম্ভ কৰে। উদ্বোধনী ভাষণত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° প্ৰণৱ শইকীয়াই ড° ভূপেন হাজৰিকাৰ গীতত প্ৰকাশ পোৱা বিদ্ৰোহ, মানুহৰ দুখ-দুৰ্দশা, শ্ৰমজীৱী মানুহৰ সংহতি, প্ৰকৃতি, আশা আৰু সাংস্কৃতিক আত্মপৰিচয়ৰ বিষয়ে আলোচনা কৰে। অনুষ্ঠানত পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰৰ অধ্যাপক প্ৰাণজিৎ বৰাই ড° ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্ম সম্পৰ্কে মূল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানৰ এক উল্লেখযোগ্য পৰ্ব আছিল ড° মৃণালজ্যোতি গোস্বামীৰ অসমীয়া গ্ৰন্থ গৱেষণাৰ প্ৰণালীতত্ত্ব আৰু প্ৰয়োগৰ আনুষ্ঠানিক উন্মোচন। সম্প্ৰীতি প্ৰকাশন, গুৱাহাটী অসমৰ পৰা প্ৰকাশিত আৰু বান্ধৱ, পাণবজাৰ, গুৱাহাটীৰ দ্বাৰা বিতৰণ কৰা এই গ্ৰন্থখনত গৱেষণাৰ মূল নীতি, পদ্ধতি আৰু প্ৰায়োগিক দিশসমূহ অসমীয়া ভাষাত সুশৃংখলভাৱে আলোচনা কৰা হৈছে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰাজেন্দ্ৰ প্ৰসাদ দাসে ভূপেন হাজৰিকা আৰু অসমক পৰস্পৰৰ পৰিপূৰক বুলি উল্লেখ কৰে। এই অনুষ্ঠানত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ শিক্ষক, গৱেষক, প্ৰাক্তন শিক্ষাৰ্থী আৰু কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলৰ ভিতৰত আছিল নিপন বৰপাত্ৰ গোহাঁই, বিশ্ববিদ্যালয়ৰ (প্ৰাক্তন শিক্ষাৰ্থী), ডিম্পল দাস (গৱেষক), বিদীপ দেৱচৌধুৰী (শিক্ষক), সুৰভি চেতিয়া (শিক্ষক), হেমপ্ৰকাশ মাউত, কাৰ্যসূচী সহায়ক (ই এম পি চি), পল্লৱী গগৈ (শিক্ষক), দিব্যজ্যোতি পাটগিৰি (সহকাৰী গ্ৰন্থাগাৰিকক), অৰবিন্দ শইকীয়া (পৰীক্ষা নিয়ন্ত্ৰক, ভাৰপ্ৰাপ্ত), ইন্দ্ৰনীল সাগৰ দাস (শিক্ষক) আৰু ঋতিমণি বৰদলৈ আৰু তেওঁৰ দলৰ শিক্ষকসকল।

---

## কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ত ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষৰ সামৰণী অনুষ্ঠানত প্ৰাণজিৎ বৰা

# সুধাকণ্ঠৰ সৃষ্টিত সমাজৰ বাস্তৱ-মানুহৰ জীৱনৰ প্ৰতিবাদৰ কণ্ঠ প্ৰকাশ

মহানগৰ বাৰ্তা, ১ অক্টোবৰ ঃ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্মশত বৰ্ষ উদ্‌যাপনৰ সামৰণি উপলক্ষে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত বুধবাৰে এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়ৰ জুবিন গাৰ্গ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত ভূপেন হাজৰিকাৰ শিল্পসত্তা, মানৱতাবাদী চিন্তা আৰু অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ ওপৰত আলোচনা কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিশিষ্ট অতিথিসকলে ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। অনুষ্ঠানৰ সমন্বয়ক ড° মৃণাল জ্যোতি গোস্বামীয়ে আদৰণী ভাষণ আগবঢ়ায়। উদ্বোধনী ভাষণত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° প্ৰণৱ শইকীয়াই ভূপেন হাজৰিকাৰ গীতত প্ৰকাশ পোৱা মানুহৰ দুখ-দুৰ্দশা, শ্ৰমজীৱী সমাজ, প্ৰকৃতি, আশা আৰু সাংস্কৃতিক আত্মপৰিচয়ৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। অসমীয়া সংস্কৃতিক বিশ্বমঞ্চলৈ লৈ যোৱাত ভূপেন হাজৰিকাৰ অৱদানৰ কথাও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰৰ অধ্যাপক প্ৰাণজিৎ বৰাই মূল বক্তব্য আগবঢ়াই ভূপেন হাজৰিকাৰ সৃষ্টিত সমাজ বাস্তৱ, প্ৰান্তীয় মানুহৰ জীৱন আৰু প্ৰতিবাদৰ কণ্ঠ প্ৰকাশ পোৱা বুলি উল্লেখ কৰে। সভাত উপাচাৰ্য অধ্যাপক ৰাজেন্দ্ৰ প্ৰসাদ দাসে সভাপতিত্ব কৰি ভূপেন হাজৰিকাৰ সৃষ্টিক নিয়মিতভাৱে অধ্যয়ন, চৰ্চা আৰু পৰিৱেশনৰ জৰিয়তে নতুন প্ৰজন্মলৈ লৈ যোৱাৰ আহ্বান জনায়। অনুষ্ঠানত সাংস্কৃতিক মহাসভা, অসমৰ সভাপতি



পবিত্ৰ শৰ্মা, কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° নৃপেন্দ্ৰ নাথ শৰ্মা আৰু বিশিষ্ট সংস্কৃত পণ্ডিত সতীশচন্দ্ৰ শৰ্মাও উপস্থিত থাকে। অনুষ্ঠানৰ এক উল্লেখযোগ্য পৰ্বত ড° মৃণাল জ্যোতি গোস্বামীৰ 'অসমীয়া গ্ৰন্থ গৱেষণাৰ প্ৰণালীতত্ত্ব আৰু প্ৰয়োগ' গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ইয়াৰ পিছতে ভূপেন হাজৰিকাৰ সৃষ্টিক কেন্দ্ৰ কৰি সংগীত, নৃত্য আৰু কবিতা আবৃত্তিৰে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত নিপন বৰপাত্ৰ গোহাঁই, ডিম্পল দাস, বিদীপ দেৱ চৌধুৰী, সুৰভি চেতিয়া, হেমপ্ৰকাশ মাউত, পল্লৱী গগৈ, দিব্যজ্যোতি পাটগিৰি, অৰবিন্দ শইকীয়া, ইন্দ্ৰনীল সাগৰ দাস আৰু ঋতিমণি বৰদলৈৰ লগতে বিশ্ববিদ্যালয়ৰ শিক্ষক, গৱেষক, প্ৰাক্তন শিক্ষাৰ্থী আৰু কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। শেষত ড° মৃণাল জ্যোতি গোস্বামীয়ে শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত অনুষ্ঠানৰ সামৰণি পৰে।